# REGIONAL NEWS UNIT
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-03-2024
**Time :** 1840 Hrs

## *Assamese Evening Bulletin*
## *HEADLINES*
**- - - - - - -**

১। নাগৰিকত্ব সংশোধনী আইন ৰূপায়ণত স্থগিতাদেশ জাৰি কৰিবলৈ উচ্চতম ন্যায়ালয়ৰ অস্বীকাৰ। ৮ এপ্ৰিলৰ ভিতৰত চৰকাৰক শপতনামা দাখিল কৰিবলৈ নিৰ্দেশ।

২। দেশত প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে কাইলৈ অধিসূচনা জাৰি। অসমৰ ৫খনকে ধৰি প্ৰথম পৰ্যায়ত ১৭খন ৰাজ্য আৰু চাৰিটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ১০২খন আসনৰ বাবে ভোটগ্ৰহণৰ প্ৰস্তুতি।

৩। আসন্ন লোকসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি বিভিন্ন ৰাজনৈতিক দলৰ নেতা কৰ্মীৰ দলীয় প্ৰাৰ্থীৰ সমৰ্থনত প্ৰচাৰ অভিযান অব্যাহত। **আৰু**

৪। সমাগত লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত আদৰ্শ আচৰণি বিধি পালনৰ বাবে বিভিন্ন জিলা প্ৰশাসনৰ সতৰ্কতামূলক ব্যৱস্থাগ্ৰহণ। অনুজ্ঞাপত্ৰ থকা অস্ত্ৰ-শস্ত্ৰ আৰক্ষীৰ ওচৰত দিবলৈ নিৰ্দেশ।

০০০০০

উচ্চতম ন্যায়ালয়ে নাগৰিকত্ব সংশোধনী আইনৰ ৰূপায়ণত স্থগিতাদেশ জাৰি কৰিবলৈ অস্বীকাৰ কৰিছে। আজি সৰ্বোচ্চ ন্যায়ালয়ে এই সন্দৰ্ভত শুনানি গ্ৰহণ কৰি অহা ৮ এপ্ৰিলৰ ভিতৰত চৰকাৰক শপতনামা দাখিল কৰিবলৈ নিৰ্দেশ দিয়ে। অহা ৯ এপ্ৰিলত এই সন্দৰ্ভত পৰৱৰ্তী শুনানি অনুষ্ঠিত হ'ব।

আনহাতে, ২ এপ্ৰিলৰ ভিতৰত আবেদনকাৰীসকলক ৫ পৃষ্ঠাৰ লিখিত প্ৰতিবেদন দাখিল কৰাৰ নিৰ্দেশ দিয়া হৈছে। এই আইনৰ ক্ষেত্ৰত অসম আৰু ত্ৰিপুৰাৰ সৈতে জড়িত গোচৰৰ বাবে সুকীয়াকৈ শুনানি গ্ৰহণ কৰা হ'ব বুলিও আদালতে প্ৰকাশ কৰিছে।

উল্লেখযোগ্য যে, যোৱা ১১ মাৰ্চত কেন্দ্ৰীয় চৰকাৰে নাগৰিকত্ব সংশোধনী আইন সন্দৰ্ভত অধিসূচনা জাৰি কৰে। ইয়াৰ লগে লগে দেশজুৰি এই আইন বলৱৎ হোৱাটো নিশ্চিত হৈছিল। বিজেপিয়ে পূৰ্বৰ লোকসভা নিৰ্বাচনত দেশত এই আইন বলৱৎ কৰা হ'ব বুলি ঘোষণা কৰিছিল। এই সন্দৰ্ভত ২০১৯ চনত সংসদৰ দুয়োখন সদনত বিধেয়কো গৃহীত হৈছিল। ইয়াৰ ফলত বাংলাদেশ, পাকিস্তান আৰু আফগানিস্তানৰ পৰা ২০১৪ চন পৰ্যন্ত ভাৰতলৈ অহা হিন্দু, জৈন, খ্ৰীষ্টান, শিখ, বৌদ্ধ আৰু পাৰ্চি ধৰ্মীয় শৰণাৰ্থীসকলক ভাৰতীয় নাগৰিকত্ব প্ৰদানৰ ব্যৱস্থা আছে।

উল্লেখযোগ্য যে, এই আইনৰ স্থগিতাদেশ বিচাৰি যোৱা ১২ মাৰ্চত সদৌ অসম ছাত্ৰ সন্থাই উচ্চতম ন্যায়ালয়ত আবেদন দাখিল কৰিছিল। আনহাতে, ১৩ মাৰ্চত অসম বিধানসভাত বিৰোধী দলৰ নেতা দেৱব্ৰত শইকীয়াৰ উপৰি অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদেও আবেদন দাখিল কৰিছিল।

০০০০০

দেশত প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে কাইলৈ অধিসূচনা জাৰি কৰা হ'ব। ৭টা পৰ্যায়ত হ'বলগীয়া নিৰ্বাচনৰ প্ৰথমটো পৰ্যায়ত ১৭ খন ৰাজ্য আৰু ৪টা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ১০২খন লোকসভা আসনৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'ব। তামিলনাডুৰ ৩৯ খন, ৰাজস্থানৰ ১২ খন, উত্তৰ প্ৰদেশৰ ৮ খন, মধ্য প্ৰদেশৰ ছখন, উত্তৰাখণ্ড, অসম আৰু মহাৰাষ্ট্ৰৰ ৫খনকৈ, মণিপুৰ, মেঘালয় আৰু অৰুণাচল প্ৰদেশত দুখনকৈ, ছত্তিশগড়, মিজোৰাম, নগালেণ্ড, ছিকিম, ত্ৰিপুৰা, আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জ, জম্মু আৰু কাশ্মীৰ, লাক্ষাদ্বীপ আৰু পুডুচেৰীত এখনকৈ আসনৰ বাবে প্ৰথম পৰ্যায়ত ভোটগ্ৰহণ কৰা হ'ব। চলিত মাহৰ ২৭ তাৰিখলৈকে মনোনয়ন পত্ৰসমূহ দাখিল কৰিব পৰা যাব। অহা ১৯ এপ্ৰিলত প্ৰথম পৰ্যায়ৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। দেশত সৰ্বমুঠ ৭ টা পৰ্যায়ত লোকসভা নিৰ্বাচন অনুষ্ঠিত হ'ব। ৪ জুনত ভোটগণনা কৰা হ'ব।

অসমৰ নৱগঠিত কাজিৰঙা সমষ্টিৰ উপৰি শোণিতপুৰ, লখিমপুৰ, ডিব্ৰুগড় আৰু যোৰহাট সমষ্টিত প্ৰথম পৰ্যায়ত নিৰ্বাচন হ'ব। দ্বিতীয় পৰ্যায়ত দৰং-ওদালগুৰি, ডিফু, কৰিমগঞ্জ, শিলচৰ আৰু নগাঁৱত তথা তৃতীয় পৰ্যায়ত গুৱাহাটী, বৰপেটা, ধুবুৰী আৰু কোকৰাঝাৰত নিৰ্বাচন অনুষ্ঠিত হ'ব বুলি আয়োগৰ সূত্ৰই প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে, সংশোধিত চূড়ান্ত ভোটদাতা তালিকা অনুসৰি ৰাজ্যখনত ২ কোটি ৪৩ লাখতকৈ অধিক ভোটদাতা আছে। ইয়াৰে ১ কোটি ২১ লাখ ৭৯ হাজাৰতকৈ অধিক পুৰুষ আৰু ১ কোটি ২১ লাখতকৈ অধিক মহিলা ভোটদাতা। তদুপৰি ৪১৪ গৰাকী তৃতীয় লিংগৰ ভোটদাতা আছে। ৰাজ্যখনত ৪ লাখ ৩৫ হাজাৰতকৈ অধিক নতুন ভোটদাতা আছে। একেদৰে, ২ লাখ ৭২ হাজাৰতকৈ অধিক অশীতিপৰ ভোটদাতা থকা বুলি নিৰ্বাচন আয়োগৰ সূত্ৰত প্ৰকাশ পাইছে।

নিৰ্বাচন আয়োগ দেশৰ এই সৰ্ববৃহৎ সাধাৰণ নিৰ্বাচন সুচাৰুৰূপে তথা নিৰাপদভাৱে অনুষ্ঠিত কৰাৰ বাবে বদ্ধপৰিকৰ। আয়োগে নিৰ্বাচনৰ সময়ছোৱাত দেখা দিব পৰা বিভিন্নধৰণৰ প্ৰত্যাহ্বানৰ মুখামুখি হোৱাৰ বাবে যথাযথ পৰিকল্পনা গ্ৰহণ কৰিছে। ধনবল, বাহুবলৰ লগতে ভুৱা তথ্য প্ৰচাৰ আৰু হিংসা তথা নিৰ্বাচনী আচৰণ বিধি উলংঘা কৰাৰ দৰে ঘটনা এনে সময়ত ঘটিব পাৰে বুলি নিৰ্বাচন আয়োগে আশংকা প্ৰকাশ কৰিছে। স্পৰ্শকাতৰ অঞ্চলসমূহত হ'ব পৰা যিকোনোধৰণৰ পৰিস্থিতিৰ মোকাবিলা কৰিবৰ বাবে পৰ্যাপ্ত পৰিমাণৰ কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীৰ ব্যৱস্থা কৰা হৈছে। জিলাসমূহত সমন্বিত নিয়ন্ত্ৰণ কক্ষও স্থাপন কৰা হৈছে। স্পৰ্শকাতৰ ভোটগ্ৰহণ কেন্দ্ৰসমূহত ৱেবকাষ্টিঙৰ ব্যৱস্থাও কৰা হৈছে। ০০০০০০০

০০০০০

CAMPAIGN/PTC(19-03-24/EVEN)-375

আসন্ন লোকসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি বিভিন্ন ৰাজনৈতিক দলে নিজৰ দলীয় প্ৰাৰ্থীৰ সমৰ্থনত ৰাজ্যৰ প্ৰান্তে প্ৰান্তে প্ৰচাৰ অভিযান আৰম্ভ কৰিছে। আজি লখিমপুৰ লোকসভা সমষ্টিৰ শদিয়াৰ অমৰপুৰত শিক্ষামন্ত্ৰী তথা বিজেপি নেতা ডাঃ ৰণোজ পেগু আৰু সমষ্টিটোৰ বিজেপি প্ৰাৰ্থী প্ৰদান বৰুৱাই প্ৰচাৰ চলায়। শিৱসাগৰৰ ৰুদ্ৰসাগৰ পঞ্চায়তত আজি আয়োজিত বিজেপিৰ এখন সাংগঠনিক সভাত যোৰহাট লোকসভা সমষ্টিৰ বিজেপি প্ৰাৰ্থী তপন কুমাৰ গগৈ, মন্ত্ৰী যোগেন মহন, সাংসদ পল্লৱলোচন দাসকে ধৰি জিলা বিজেপিৰ বহু নেতা-কৰ্মীয়ে অংশগ্ৰহণ কৰে। ইপিনে, বৰপেটা সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী দ্বীপ বায়নে আজি নলবাৰীত এখন দলীয় কৰ্মী সভাত অংশগ্ৰহণ কৰে। গোৱালপাৰা জিলাৰ দুধনৈত আজি গুৱাহাটী সমষ্টিৰ প্ৰাৰ্থী মীৰা বৰঠাকুৰে নিৰ্বাচনী কাৰ্যালয় এটা মুকলি কৰে। তেওঁ লগতে দলীয় নেতা-কৰ্মীৰ সৈতে মত-বিনিময় কৰে। বাক্সা জিলাৰ থমনাত আসন্ন লোকসভা নিৰ্বাচন সম্পৰ্কত অবড়ো সুৰক্ষা সমিতিৰ সম্পাদক জোন দাসে এখন সংবাদ মেল সম্বোধন কৰে। নগাঁও জিলাৰ কলিয়াবৰত আজি মন্ত্ৰী পীযুষ হাজৰিকাই এখন প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে।

এই সভাত মন্ত্ৰী কেশৱ মহন্ত, কাজিৰঙা সমষ্টিৰ প্ৰাৰ্থী কামাখ্যা প্ৰসাদ তাছাকে ধৰি ভালেসংখ্যক লোকে অংশগ্ৰহণ কৰে। মৰিগাঁও জিলাৰ জাগীৰোড বিধানসভা সমষ্টিৰ অন্তৰ্গত ৯ খন পঞ্চায়তত আজি নগাঁও সমষ্টিৰ বিজেপি প্ৰাৰ্থী সুৰেশ বৰাই প্ৰচাৰ চলায়। এই সভাত ভালেসংখ্যক দলীয় নেতা-কৰ্মী উপস্থিত থাকে। ৰাজ্যৰ অন্যান্য ঠাইৰ লগতে কোকৰাঝাৰ, দৰং-ওদালগুৰি লোকসভা সমষ্টিতো নিৰ্বাচনী তৎপৰতা বৃদ্ধি পাইছে। আজি বিটিআৰৰ মুৰব্বী প্ৰমোদ বড়োৰ বাসগৃহত শাসনাধিষ্ঠিত বিজেপি, ইউপিপিএল আৰু অসম গণ পৰিষদ দলৰ এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত বিজেপিৰ নেতা তথা মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, মঙলদৈৰ সাংসদ তথা দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী দিলীপ শইকীয়াকে ধৰি ভালেসংখ্যক নেতা-কৰ্মী উপস্থিত থাকে। এই বৈঠকত বিটিআৰৰ মুৰব্বীগৰাকীয়ে নিৰ্বাচনত মিত্ৰজোঁটৰ প্ৰাৰ্থী জয়ী হ'ব বুলি দৃঢ়তাৰে প্ৰকাশ কৰে। মাজুলী জিলাতো বিভিন্ন ৰাজনৈতিক দলে নিৰ্বাচনী প্ৰস্তুতি তথা প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে। আজি কংগ্ৰেছ দলৰ যোৰহাট সমষ্টিৰ প্ৰাৰ্থী গৌৰৱ গগৈয়ে জিলাখনৰ গড়মূৰৰ বংশীগোপাল নাট্যমন্দিৰ আৰু নামনি মাজুলীৰ বৰমুকলিত ৰাজহুৱা সভাত অংশ লয়। কাইলৈ প্ৰাৰ্থীগৰাকীয়ে কেইবাখনো সভাত অংশ ল'ব। মাজুলীত নিৰ্বাচনী প্ৰচাৰ সন্দৰ্ভত জিলাখনৰ পৰা আমাৰ সংবাদদাতা বিকাশ শইকীয়াই এইদৰে কয়

VOICE

গুৱাহাটীৰ হেঙেৰাবাৰীত থকা বিজেপিৰ মহানগৰ জিলা কাৰ্যালয়ত আজি এটা যোগদান কাৰ্যসূচী অনুষ্ঠিত হয়। তদুপৰি সমষ্টিভিত্তিক বিষয়াববীয়াসকলৰ এখন নিৰ্বাচনকেন্দ্ৰিক গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। দক্ষিণ শালমাৰা মানকাচৰ জিলাত অসম গণ পৰিষদৰ প্ৰাৰ্থী জাবেদ ইছলামে নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। তেওঁ কেইবাটাও যোগদান কাৰ্যসূচীতো অংশ লয়। ইপিনে বৰপেটা আৰু ধুবুৰী লোকসভা সমষ্টিৰ নিৰ্বাচনৰ দলীয় প্ৰস্তুতিৰ বুজ লোৱাৰ বাবে সৰ্বভাৰতীয় কংগ্ৰেছ কমিটীৰ সম্পাদক তথা অসমৰ তত্ত্বাৱধায়ক পৃথ্বীৰাজ সাথ বৰপেটাত উপস্থিত হয়। তেওঁ জিলা কংগ্ৰেছ, খণ্ড পৰ্যায়ৰ কংগ্ৰেছ আৰু জিলা পৰিষদৰ সদস্যসকলক লৈ নিৰ্বাচনী ৰণকৌশল সম্পৰ্কে এখন বৈঠকত মিলিত হয়।

00000

সমাগত লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত বিভিন্ন জিলা প্ৰশাসনে প্ৰস্তুতি অব্যাহত ৰাখিছে। কেইবাখনো জিলাত আজি প্ৰিজাইডিং আৰু পোলিং বিষয়াৰ প্ৰশিক্ষণ আৰম্ভ হৈছে। বাক্সা জিলাৰ বৰমাত নিৰ্বাচনত নিয়োজিত হ'বলগীয়া বিষয়াসকলৰ প্ৰশিক্ষণ আজি আৰম্ভ হয়। আজি দুহেজাৰ ২৯৪ গৰাকী প্ৰশিক্ষাৰ্থীৰ ভিতৰত ৬০ গৰাকী মহিলাক প্ৰশিক্ষণ দিয়া হয়। নিৰ্বাচন আয়োগৰ দ্বাৰা প্ৰশিক্ষণপ্ৰাপ্ত প্ৰশিক্ষকে বিষয়াসকলক প্ৰশিক্ষণ প্ৰদান কৰে। বাক্সা জিলাৰ মানাহ, বাক্সা, তামুলপুৰ আৰু গোৰেশ্বৰ বিধানসভা সমষ্টিৰ ৯৪৬টা ভোটকেন্দ্ৰৰ বাবে এই প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। ইপিনে, জিলা প্ৰশাসনসমূহে প্ৰতিখন জিলাতে নিয়ন্ত্ৰণ কক্ষ স্থাপন কৰাৰ উপৰি ফোন নম্বৰ মুকলি কৰি নিৰ্বাচনী আচৰণ বিধি উলংঘাকাৰীৰ বিৰুদ্ধে তাৎক্ষণিক পদক্ষেপ গ্ৰহণ কৰিছে। লখিমপুৰ জিলাত প্ৰশাসনে এনে আচৰণ বিধি উলংঘাকাৰীৰ বিৰুদ্ধে তথ্য দাখিল কৰিবলৈ ১৯৫০ টোল ফ্ৰী নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে। তদুপৰি ০৩৭৫২-২৪৫৭৬১ নম্বৰতো যোগাযোগ কৰিব পাৰে। শিৱসাগৰ জিলাতো প্ৰশাসনে অনুৰূপ ব্যৱস্থা গ্ৰহণ কৰিছে। জিলাখনৰ প্ৰশাসনে গ্ৰহণ কৰা এনে ব্যৱস্থা সন্দৰ্ভত আমাৰ সংবাদদাতা মুজাহিদ আলীয়ে এই দৰে কয়-

VOICE

00000

আসন্ন লোকসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি কামৰূপ মহানগৰ জিলা দণ্ডাধীশ সুমিত ছাত্তাৱানে এখন ৰাজহুৱা জাননীৰ জৰিয়তে জিলাখনৰ ভিতৰত সকলো অনুজ্ঞাপত্ৰ থকা অস্ত্ৰ-শস্ত্ৰ ৭ দিনৰ ভিতৰত নিকটৱৰ্তী আৰক্ষী থানাত জমা দিবলৈ অনুজ্ঞাপত্ৰধাৰী ব্যক্তিসকলক নিৰ্দেশ দিছে।

কৰিমগঞ্জ জিলা উপায়ুক্তয়ো জিলাখনৰ অনুজ্ঞাপত্ৰ থকা অস্ত্ৰ-শস্ত্ৰৰ গৰাকীসকলক শীঘ্ৰে সংশ্লিষ্ট থানাত অস্ত্ৰ-শস্ত্ৰবোৰ জমা দিবলৈ নিৰ্দেশ জাৰি কৰিছে। নিৰ্দেশটোত উল্লেখ কৰা মতে নিৰ্বাচনৰ ফলাফল ঘোষণাৰ পিছত এইবোৰ উভতাই নিব পাৰিব। এই আদেশ অমান্য কৰিলে অস্ত্ৰ আইন ১৯৫৯ৰ অধীনত আইনী ব্যৱস্থা গ্ৰহণ কৰি অনুজ্ঞাপত্ৰ বাতিল কৰিব পাৰিব।

লখিমপুৰ জিলা দণ্ডাধীশে এক আদেশযোগে জিলাখনত অনুজ্ঞাপত্ৰ থকা অস্ত্ৰ-শস্ত্ৰ কঢ়িয়াই লৈ ফুৰাটো নিষিদ্ধ কৰিছে। এনে অস্ত্ৰ-শস্ত্ৰসমূহ স্থানীয় আৰক্ষী থানাত জমা দিবলৈ নিৰ্দেশ দিয়া হৈছে।

ooooo

প্ৰধানমন্ত্ৰী তথা জ্যেষ্ঠ বিজেপি নেতা নৰেন্দ্ৰ মোদীয়ে এন ডি এ প্ৰাৰ্থীৰ সমৰ্থনত আজি পুৱা কেৰালাৰ পাল্লাকাড়ত এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰে। সাধাৰণ নিৰ্বাচনৰ দিন ঘোষণা হোৱাৰ পাছত প্ৰধানমন্ত্ৰী শ্ৰীমোদীৰ কেৰালাত এইটো প্ৰথম প্ৰচাৰ অভিযান আছিল। এই ৰোড শ্ব'ত দলৰ বহুসংখ্যক লোকে দলৰ পতাকা আৰু প্লেকাৰ্ড প্ৰদৰ্শন কৰি শ্ৰী মোদীক আদৰণি জনায়। অনুষ্ঠানত দলৰ ৰাজ্যিক সভাপতি কে সুৰেন্দ্ৰনৰ উপৰি পাল্লাকাড় আৰু পোন্নানী সংসদীয় সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থীসকল উপস্থিত থাকে। ৰোড শ্ব'ত অংশগ্ৰহণ কৰাৰ পাছতে শ্ৰীমোদীয়ে তামিলনাডুৰ চালেমলৈ বুলি ৰাওনা হৈছে। তাত তেওঁ এখন জনসভাত ভাষণ দিব। কালি সন্ধিয়া তেওঁ কইমবাট'ৰত এখন জনসভাত অংশগ্ৰহণ কৰে। তেওঁ ১৯৯৮ চনত কইম্বাটৰৰ বোমা বিস্ফোৰণত মৃত্যুবৰণ কৰা লোকসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

ooooo

আজি নতুন দিল্লীত কংগ্ৰেছ ৱৰ্কিং কমিটীৰ এখন বৈঠক অনুষ্ঠিত হয়। দলৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত এই বৈঠকত দলৰ ইস্তাহাৰ ন্যায় সম্পৰ্কীয় নিশ্চয়তাৰ বিষয়ে আলোচনা কৰা হয়। কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খাৰ্গেই সামাজিক মাধ্যমযোগে এই তথ্য প্ৰদান কৰি কয় যে, ১৯২৬ চনৰ পৰা কংগ্ৰেছৰ ইস্তাহাৰক দেশৰ ৰাজনৈতিক ইতিহাসত বিশ্বাস আৰু দায়বদ্ধতাৰ নথি হিচাপে গণ্য কৰা হয়। তেওঁ কয় যে, দলৰ কাৰ্যকৰী সমিতিৰ বৈঠকত দলটোৱে ইস্তাহাৰ সন্দৰ্ভত গভীৰভাৱে আলোচনা কৰে। এই বৈঠকত সভাপতি খাৰ্গেৰ লগতে কংগ্ৰেছ সংসদীয় দলৰ নেত্ৰী ছোনিয়া গান্ধী, নেতা ৰাহুল গান্ধীকে ধৰি জ্যেষ্ঠ নেতাসকল উপস্থিত আছিল। বৈঠকৰ অন্তত অনুষ্ঠিত সংবাদমেলত দলৰ সাধাৰণ সম্পাদক কে চি বেনুগোপালে কয় যে, সভাপতি খাৰ্গেক ইস্তাহাৰত চূড়ান্ত অনুমোদন দিবলৈ ৱৰ্কিং সমিতিয়ে কৰ্তৃত্ব প্ৰদান কৰিছে। ভাৰত জোড়ো ন্যায় যাত্ৰাৰ গতিশীলতাক আগুৱাই লৈ ৱৰ্কিং কমিটীয়ে এই নিশ্চয়তাৰ বাৰ্তা তৃণমূল পৰ্যায়লৈ প্ৰসাৰিত কৰাৰ পৰিকল্পনা প্ৰস্তুত কৰিছে বুলি তেওঁ কয়।

ooooo

ডিব্ৰুগড় নিৰ্বাচনী জিলাত নিৰ্বাচনী আদৰ্শ আচৰণ বিধি বলৱৎ হৈ থকা সময়ছোৱাত ধনৰ অবৈধ লেনদেন, ভোটাৰক ধন দি প্ৰলোভিত কৰা, সুৰাৰ অবাধ প্ৰচলন আদি ৰোধ কৰাৰ উদ্দেশ্যে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। এই উদ্দেশ্যে চাবুৱা-লাহোৱাল, ডিব্ৰুগড়, খোৱাং, দুলিয়াজান, টিংখাং আৰু নাহৰকটীয়া বিধানসভা সমষ্টিত আদৰ্শ আচৰণ বিধি কোষে সক্ৰিয় ভূমিকা গ্ৰহণ কৰিছে। নিৰ্বাচনী জিলাখনৰ বিভিন্ন স্থানত নিয়োজিত দলে যান-বাহনসমূহ নিৰীক্ষণ কৰি আছে।

০০০০০

অসম আৰক্ষীৰ বিশেষ টাস্ক ফ'ৰ্চে আজি গুৱাহাটীৰ জ্যোতিকুচিত অভিযান চলাই নকল সোণসহ এজন লোকক গ্ৰেপ্তাৰ কৰে। দলটোৱে বিহাৰৰ এজন লোকৰ পৰা প্ৰায় ডেৰ কিলোগ্ৰাম ওজনৰ এখন নকল সোণৰ নাও জব্দ কৰে।

০০০০০

কাৰ্বি আংলং জিলাৰ ৰজাপথাৰত কাইলৈৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে পঞ্চদশ **পিচাক দমাছি** উদযাপন কৰা হ'ব। ৰজাপথাৰ **পিচাক দমাছি** উদযাপন সমিতিৰ উদ্যোগত কেইবাটাও তিৱা সংগঠনৰ সহযোগত এই উৎসৱৰ আয়োজন কৰা হৈছে বুলি উদ্যোক্তাসকলে জনাইছে।

০০০০০

অসম বিধানসভাৰ কামকাজক সম্পূৰ্ণ ডিজিটেল কৰি তোলাৰ উদ্দেশ্যে আজিৰে পৰা বিধানসভাৰ চৌহদত দুদিনীয়া ই-বিধানসভা কৰ্মশালাৰ আয়োজন কৰা হৈছে। সচিবালয়ৰ বিষয়া-কৰ্মচাৰীসকলক এই কৰ্মশালাত প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰা হৈছে। সংসদীয় পৰিক্ৰমা মন্ত্ৰালয়ৰ সহযোগত অসম বিধানসভাৰ গোপীনাথ বৰদলৈ ভৱনত লোকসভা সচিবালয়ে এই ৰাষ্ট্ৰীয় ই-বিধান আবেদনৰ কৰ্মশালাখনৰ আয়োজন কৰিছে। কৰ্মশালাৰ জৰিয়তে শীঘ্ৰেই বিধানসভাৰ সকলো তথ্য ৰাষ্ট্ৰীয় ই-বিধান আবেদন অৰ্থাৎ **নেভাত** উপলব্ধ হ'ব। ইয়াৰ ফলত বিধানসভাৰ কামকাজৰ পৰিচালনা অধিক গতিশীল হ'ব বুলি আশা কৰা হৈছে। এই ব্যৱস্থাই ভিডিঅ' কনফাৰেন্স ব্যৱস্থাৰ বিকাশৰ লগতে পুৰণি ৰেকৰ্ডসমূহ ডিজিটেল ৰূপত সংৰক্ষণ কৰাৰ বাবে ডিজিটেল লাইব্ৰেৰীৰ উত্তৰণতো সহায় কৰিব।

০০০০০

সমাপ্ত